**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-03-2026
**Time :** 18-00 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। জালুকবাৰী সমষ্টিৰ প্ৰাৰ্থী তথা জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাৰ মনোনয়ন পত্ৰ দাখিল।

২। বিধানসভা নিৰ্বাচনৰ বাবে কেইবাটাও সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল।

৩। দেশৰ নিৰ্বাচনী আয়োগে নিয়োগ কৰা পৰ্যবেক্ষকসকলৰ জিলাসমূহত দায়িত্ব গ্ৰহণ। ***আৰু***

৪। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত বিশেষ ফাষ্টট্ৰেক আদালতত বিচাৰপ্ৰক্ৰিয়া আৰম্ভ।

০০০০০

ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে আজি শাসকীয় বিজেপিকে ধৰি কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, অসম গণ পৰিষদ, ইউ পি পি এল, বি পি এফকে ধৰি কেইবাটাও ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে আজি মনোনয়ন দাখিল কৰে।

আজি জালুকবাৰী সমষ্টিৰ প্ৰাৰ্থী হিচাপে মহা সমাৰোহেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত তেওঁৰ পৰিয়াল আৰু গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, বি চি চি আইৰ সচিব তথা ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিত শইকীয়া উপস্থিত থাকে। প্ৰতিকূল বতৰকো নেওচি ড° শৰ্মাৰ মনোনয়ন পত্ৰ দাখিলৰ সমদলত সমষ্টিৰ হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰে।

গোলাঘাট বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী অজন্তা নেওগ আৰু সৰুপথাৰ সমষ্টিৰ প্ৰাৰ্থী বিশ্বজিৎ ফুকনে আজি গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। বিজেপিৰ দুয়োগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে গোলাঘাট জিলা বিজেপিৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। মনোনয়ন পত্ৰ দাখিল কৰি সৰুপথাৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিশ্বজিৎ ফুকনে এনেদৰে কয়ঃ

বাইট - বিশ্বজিৎ ফুকন

**ডিব্ৰুগড়** সমষ্টিত বিজেপি প্ৰাৰ্থী প্ৰশান্ত ফুকনে আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত তেওঁ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংগ দিয়ে। ডিব্ৰুগড় সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী মাইনাক পাত্ৰ আৰু ভাৰত বিকাশ পাৰ্টীৰ কমল হাজৰিকাইও আজি মনোনয়ন পত্ৰ দাখিল কৰে। চাবুৱা-লাহোৱাল সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰে আজি মনোনয়ন পত্ৰ দাখিল কৰে। দুলিয়াজান সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি গগৈ, টিংখাং সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী বিপুল গগৈ আৰু নাহৰকটিয়া সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰণতি ফুকন আৰু নিৰ্দলীয় প্ৰাৰ্থী মহেন্দ্ৰ ভাদুমিয়াও আজি মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ খোৱাং সমষ্টিৰ অসম জাতীয় পৰিষদৰ সভাপতি তথা প্ৰাৰ্থী লুৰিণজ্যোতি গগৈও মনোনয়ন পত্ৰ দাখিল কৰে।

বাইট- লুৰিণ

যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থী ড০ জ্ঞানশ্ৰী বৰাই আজি মনোনয়ন পত্ৰ দাখিল কৰে।

**মৰিগাওঁ** জিলাৰ ৩ টা বিধানসভা সমষ্টিৰ বাবে আজি ৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। জাগীৰোড সমষ্টিৰ বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী পীযুষ হাজৰিকাই আজি মনোনয়ন পত্ৰ দাখিল কৰে। জাগীৰোড সমষ্টিৰ বহু লোকে

শোভাযাত্ৰা কৰি মৰিগাওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ত হাজৰিকাৰ মনোনয়ন পত্ৰ দাখিল কৰে। মৰিগাঁও সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰমাকান্ত দেউৰীয়ে মৰিগাওঁ আয়ুক্তৰ কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিল কৰে। লগতে লাহৰিঘাট সমষ্টিৰ এ আই ইউ দি এফ দলৰ প্ৰাৰ্থী চিদ্দিক আহমেদেও আজি মনোনয়ন পত্ৰ দাখিল কৰে।

শিৱসাগৰ সমষ্টিত আজি ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত তেওঁক প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই সংগ দিয়ে। শিৱসাগৰ সমষ্টিৰ অগপ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাইও কেইবাশ সমৰ্থকৰ উপস্থিতিত আজি মনোনয়নপত্ৰ দাখিল কৰে। শিৱসাগৰ জিলাৰ ডিমৌ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী অজয় গগৈ আৰু নাজিৰা সমষ্টিৰ কংগ্ৰেছ্ প্ৰাৰ্থী দেৱব্ৰত শইকীয়াইও আজি মনোনয়ন পত্ৰ দাখিল কৰে। শিৱসাগৰ জিলাৰ কংগ্ৰেছ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ লগতে কেইবাজনো জ্যেষ্ঠ কংগ্ৰেছ নেতা উপস্থিত থাকে।

**মাজুলী** সমষ্টিত আজি বিজেপি প্ৰাৰ্থী ভূবন গামে বহু সংখ্যক সমৰ্থকৰ উপস্থিতিত নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত মনোনযন পত্ৰ দাখিল কৰে।

ইপিনে, **নগাঁও-বটদ্ৰৱা** সমষ্টিত বিজেপি প্ৰাৰ্থী ৰূপক শৰ্মা আৰু কংগ্ৰেছ প্ৰাৰ্থী ড০ দুৰ্লভ চমুৱাই মনোনয়ন পত্ৰ দাখিল কৰে। **বঢ়মপুৰ** সমষ্টিত বিজেপিৰ প্ৰাৰ্থী জিতু গোস্বামী, **ৰহা** সমষ্টিত বিজেপি প্ৰাৰ্থী শশীকান্ত দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰে।

কালি ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিৰ ভিতৰত সাতটা সমষ্টিত মনোনয়ন পত্ৰ দাখিল হয়। ৰূপহীহাট, যোৰহাট আৰু বোকাখাত সমষ্টিত তিনিগৰাকী প্ৰাৰ্থীয়ে দুখনকৈ মনোনয়নপত্ৰ দাখিল কৰাৰ ফলত মুঠ মনোনয়ন পত্ৰৰ সংখ্যা ১০ হয়। অহা ২৩ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনত কৰ্তব্যত নিয়োজিত থাকিবলগীয়া সকলো বিষয়া-কৰ্মচাৰীৰ স্বাস্থ্য সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে আজি যোৰহাটৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীয়ে এই বৈঠকৰ সভাপতিত্বত কৰে। নিৰ্বাচনী দায়িত্ব পালনৰ সময়ত কোনো কৰ্মচাৰীয়ে স্বাস্থ্যজনিত জৰুৰীকালীন অৱস্থাৰ মুখামুখি হ'লে তেওঁলোকক আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত নগদবিহীন চিকিৎসা সেৱাৰ সুবিধা দিয়া হ'ব বুলি বৈঠকত সিদ্ধান্ত লোৱা হয়। কৰ্মচাৰীসকলে এই সুবিধা যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল, তিতাবৰ মহকুমা অসামৰিক চিকিৎসালয়, টিয়ক এফ আৰ ইউ আৰু অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছন আদি নিৰ্দিষ্ট চিকিৎসালয়সমূহত লাভ কৰিব। আজিৰ এই বৈঠকত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, জিলা চিকিৎসা বিষয়া, অটল অমৃত অভিযানৰ বিষয়াসকলৰ লগতে প্ৰশাসনৰ বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০

নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি, ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে নিয়োজন কৰা পৰ্য্যবেক্ষকসকল ৰাজ্যৰ সকলো জিলাতে উপস্থিত হৈছে। এই পৰ্য্যবেক্ষকসকলৰ ভিতৰত সাধাৰণ আৰু আৰক্ষী পৰ্য্যবেক্ষকসকল আছে। এই পৰ্য্যবেক্ষকসকলে সমাগত নিৰ্বাচনী প্ৰক্ৰিয়া সুৰক্ষিত, স্বচ্ছ আৰু নিৰপেক্ষভাৱে সম্পন্ন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইতিমধ্যে তেওঁলোকে নিজ নিজ দায়িত্বস্থলীত উপস্থিত হৈ বিভিন্ন বিষয় পৰ্য্যালোচনা কৰিছে।

আমাৰ আকাশবাণীৰ বজালী জিলাৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনত ইতিমধ্যে দেশৰ নিৰ্বাচন আয়োগে নিযুক্ত কৰা সাধাৰণ পৰ্যবেক্ষক, আৰক্ষী পৰ্যবেক্ষক আৰু ব্যয় পৰ্যবেক্ষকসকল উপস্থিত হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত এই বিষয়াসকল জিলাখনতেই থাকিব বুলি জিলা নিৰ্বাচনী বিষয়াই বিজ্ঞপ্তিৰ জৰিয়তে প্ৰকাশ কৰিছে। জিলা নিৰ্বাচনী বিষয়াই জনোৱা মতে জিলাখনৰ সাধাৰণ জনতা, প্ৰাৰ্থী, ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি অথবা যিকোনো ব্যক্তিয়ে বিধানসভা নিৰ্বচনৰ সৈতে জড়িত যিকোনো সমস্যা বা অভিযোগৰ ক্ষেত্ৰত

পৰ্যবেক্ষকসকলক সাক্ষাৎ কৰিব পাৰিব। তেওঁলোকৰ সৈতে প্ৰতিদিনে দিনৰ ১১ বজাৰ পৰা ১২ বজালৈ যোগাযোগ কৰিব পাৰিব।

০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু গোচৰত চৰকাৰী পক্ষই কামৰূপ মহানগৰ জিলা আৰু চেচন আদালতত সকলো অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপৰ সপক্ষে যুক্তি প্ৰদৰ্শন প্ৰক্ৰিয়াৰ অন্ত পৰিছে। ৰাজ্য চৰকাৰে মুক্তি দিয়া বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে আজি অভিযুক্তসকলৰ বিৰুদ্ধে ধাৰা আৰোপৰ সপক্ষে আদালতত যুক্তি প্ৰদৰ্শন প্ৰক্ৰিয়া সমাপন কৰে। ইয়াৰ পাছতে অভিযুক্ত অমৃত প্ৰভা মহন্তৰ হৈ অধিবক্তাই ধাৰা আৰোপৰ সন্দৰ্ভত চৰকাৰী পক্ষৰ ভাষ্যৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন কৰে।

উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত বিশেষ ফাষ্টট্ৰেক আদালতত দৈনন্দিন বিচাৰ প্ৰক্ৰিয়া পৰিচালনাৰ বাবে বাক্সাৰ জিলা ন্যায়াধীশ হিচাপে বৰ্তমান কাৰ্যনিৰ্বাহ কৰি থকা শৰ্মিলা ভূঞাক মনোনিত কৰিছে।

০০০০০

বজালী জিলাৰ ভৱানীপুৰ-সৰভোগ আৰু বজালী বিধানসভা সমষ্টিৰ বাবে ই ভি এম আৰু ভিভিপেটসমূহৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ডোমাইজেচন প্ৰক্ৰিয়া আজি সম্পন্ন হয়। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি সম্পূৰ্ণ স্বচ্ছ আৰু সুসংগঠিতভাৱে সম্পন্ন হোৱা এই কাৰ্যসূচীত জিলা নিৰ্বাচনী বিষয়া, ৰিটাৰ্ণিং বিষয়া, সহায়ক ৰিটাৰ্ণিং বিষয়া, নিৰ্বাচনী বিষয়া তথা ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি আৰু বিষয়াসকলৰ উপস্থিতিত ভিডিঅ'গ্ৰাফীৰ মাজেৰে এই প্ৰক্ৰিয়া সম্পন্ন হয়। প্ৰথম ৰেণ্ডোমাইজেচন সম্পন্ন হোৱাৰ পাছত সমষ্টি অনুসৰি আবণ্টন কৰা ই ভি এম আৰু ভিভিপেটৰ তালিকা ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিক প্ৰদান কৰা হয় বুলি জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। অনুমোদিত ছফ্‌টৱেৰৰ জৰিয়তে ই ভি এমসমূহ সম্পূৰ্ণভাৱে ৰেণ্ডম পদ্ধতিত সংশ্লিষ্ট বিধানসভা সমষ্টিসমূহত আবণ্টন কৰা হয়, যাতে কোনো ধৰণৰ মেনুৱেল হস্তক্ষেপ নাথাকে। সমগ্ৰ প্ৰক্ৰিয়াটোত প্ৰয়োজনীয় সকলো বিধি নিয়ম আৰু সুৰক্ষা ব্যৱস্থা কঠোৰভাৱে পালন কৰা হয়। উল্লেখযোগ্য যে, বজালী জিলাৰ নিৰ্বাচনী কাৰ্যালয়ত অৱস্থিত ই ভি এম গুডাম ঘৰটো যোৱা ১৮ মাৰ্চত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি আৰু বিষয়াসকলৰ উপস্থিতিত ভিডিঅ'গ্ৰাফীৰ মাজেৰে খোলা হয়। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলে সমগ্ৰ প্ৰক্ৰিয়াটো স্বচ্ছ আৰু নিৰপেক্ষ হোৱা বুলি প্ৰশাসনক অৱগত কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ